**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-01-2026
**Time :** 17-15 Hrs

# ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। কাইলৈৰ পৰা সংসদৰ বাজেট অধিৱেশন।

২। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত শ্ৰীশ্ৰীদামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহৰ আজি উদ্বোধন।

৩। বড়োলেণ্ডৰ বিধায়িনী সভাগৃহত আজি বড়োলেণ্ড শান্তি-চুক্তি দিৱস পালন। *আৰু*

৪। ৰাজ্যৰ বিভিন্ন স্থানত বড়োসকলৰ হেঁপাহৰ উৎসৱ গৌথাৰ বাথৌ ছান উদযাপন।

ooooo

কাইলৈৰ পৰা সংসদৰ বাজেট অধিৱেশন অনুষ্ঠিত হ'ব। ২ এপ্ৰিলত এই অধিৱেশনৰ সামৰণি পৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংসদৰ উভয় সদনক উদ্দেশি দিয়া ভাষণেৰে অধিৱেশন মুকলি কৰা হ'ব। কাইলৈৰ পৰা ১৩ ফেব্ৰুৱাৰীলৈ অধিৱেশনৰ প্ৰথম পৰ্যায় আৰু ৯ মাৰ্চৰ পৰা ২ এপ্ৰিললৈ দ্বিতীয় পৰ্যায়ৰ কাম-কাজসমূহ চলিব। পহিলা ফেব্ৰুৱাৰীত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেট উত্থাপন কৰিব।

বাজেট অধিৱেশনৰ পূৰ্বে কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কেতবোৰ গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় বিষয়ৰ লগতে সদনৰ কাম-কাজ সন্দৰ্ভত আলোচনা কৰাৰ উদ্দেশ্যে আজি দিনৰ ১১ বজাত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰে। এই বৈঠকত কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অধ্যক্ষতা কৰে। কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডা, সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজু, সংসদীয় পৰিক্ৰমা ৰাজ্য মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল আৰু ড০ এল মুৰুগান এই বৈঠকত উপস্থিত থাকে। কংগ্ৰেছৰ জয়ৰাম ৰমেশ, ডি এম কেৰ তিৰুচি শিৱা, তৃণমূল কংগ্ৰেছৰ সাগৰিকা ঘোষ, সমাজবাদী দলৰ সাংসদ ৰামগোপাল যাদৱো এই বৈঠকত উপস্থিত থাকে। ০০০

ooooo

গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ নৱতম সংযোজন শ্ৰী শ্ৰী দামোদৰদেৱ আন্তঃজাতিক প্ৰেক্ষাগৃহৰ আজি বিয়লি উদ্বোধন কৰা হ'ব। মুখ্য অতিথিৰূপে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে সাংস্কৃতিক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী বিমল বৰাও উদ্বোধনী অনুষ্ঠানত উপস্থিত থকাৰ কথা।

৫২ কোটি টকা ব্যয়ৰে সাজি উলিওৱা এই প্ৰেক্ষাগৃহটিত আধুনিক তথা আন্তঃৰাষ্ট্ৰীয় মানৰ বিভিন্ন সা-সুবিধা সন্নিৱিষ্ট কৰা হৈছে। ৮০০ খন আসন বিশিষ্ট প্ৰেক্ষাগৃহটোত অত্যাধুনিক সন্মিলন কক্ষ, উন্নতমানৰ আলোক আৰু শব্দ প্ৰযুক্তি, দিব্যাংগ লোকসকলৰ বাবে মঞ্চত আৰোহণৰ সুবিধাৰ্থে বিশেষ লিফ্‌ট, অত্যাধুনিক থিয়েটাৰ অভিজ্ঞতা কেন্দ্ৰ আদিৰ ব্যৱস্থা থাকিব।

ooooo

বড়োলেণ্ডৰ বিধায়িনী সভাগৃহত আজি বড়োলেণ্ড শান্তি-চুক্তি দিৱস পালন কৰা হয়। বিটিচি চৰকাৰে এই অনুষ্ঠানটোৰ আয়োজন কৰা। অনুষ্ঠানৰ আৰম্ভণিতে বিটিচি সচিবালয়ৰ চৌহদত থকা বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধা জনোৱা হয়। আজি ঐতিহাসিক বিটিআৰ শান্তি-চুক্তিত স্বাক্ষৰকাৰীসকলক সম্বৰ্ধনা জনোৱা হয়। বিটিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰী, মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, সাংসদ ৰণগৌৰা নাৰ্জাৰী, বিধায়ক লৰেন্স ইছলাৰী আৰু

ৰবিৰাম নাৰ্জাৰীৰ লগতে শান্তি-চুক্তিত স্বাক্ষৰকাৰী তথা প্ৰাক্তন এন ডি এফ বিৰ নেতা ধীৰেণ বড়ো, বি কে ডব্লিউ এ চিৰ মুৰব্বী মিহিনেশ্বৰ বসুমতাৰী এই অনুষ্ঠানত উপস্থিত আছিল। এন ডি এফ বি, এবছু, বড়ো সাহিত্য সভা, বড়ো সমাজ আৰু বিভিন্ন সংগঠনৰ কেইবাগৰাকী প্ৰতিনিধি অনুষ্ঠানত উপস্থিত থাকে। অৱসৰপ্ৰাপ্ত আই এ এছ্ বিষয়া হেমন্ত নাৰ্জাৰীয়ে অনুষ্ঠানৰ অধ্যক্ষতা কৰে। উপস্থিত ৰাইজক সম্বোধন কৰি শ্ৰীনাৰ্জাৰীয়ে কয়, যে বড়ো শান্তি-চুক্তিৰ প্ৰতিটো দফা সম্পূৰ্ণ আৰু কাৰ্যকৰী ৰূপায়ণ কৰাৰ প্ৰয়োজন আছে। বড়ো জনসাধাৰণৰ ওচৰত বিটিচি চৰকাৰ এইক্ষেত্ৰত প্ৰতিশ্ৰুতিবদ্ধ বুলিও তেওঁ দোহাৰে।

ooooo

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰী কৃষক উৎপাদন কোম্পানী মানকাচৰত পৰীক্ষামূলকভাৱে মিঠা মাকৈৰ খেতি আৰম্ভ কৰিছে। ৰবি শস্য হিচাপে লাভজনক সাধাৰণ মাকৈ খেতি কৰি কৃষকে লাভ অৰ্জন কৰে যদিও মিঠা মাকৈ খেতিৰ দ্বাৰা কৃষকৰ উপাৰ্জন ৩ গুণলৈ বৃদ্ধি হয়। একে সময়তে একে ধনৰ খৰছত কৃষি কৰি ৩ গুণলৈ উপাৰ্জন বৃদ্ধিৰ বাবে কৃষক উৎপাদক কোম্পানীটোৱে এই ব্যৱস্থা লৈছে বুলি কোম্পানীটোৰ মুখ্য কাৰ্যবাহী বিষয়া মইনুল হকে প্ৰকাশ কৰে।

ooooo

আজি ৰাজ্যৰ ভিন্ন স্থানত বড়োসকলৰ হেঁপাহৰ উৎসৱ গৌথাৰ বাথৌ ছান উদযাপন কৰা হৈছে। মাঘ মাহৰ দ্বিতীয়টো মঙলবাৰে এই উৎসৱ উদযাপন কৰা হয়। বড়ো জনগোষ্ঠীৰ প্ৰধান দেৱতা বাথৌৰ উপাসনা বছৰত দুবাৰকৈ কৰা হয়। বাথৌক জনগোষ্ঠীটোৰ পিতৃ দেৱতা বুলি বড়োসকলে বিশ্বাস কৰে।

বাক্সা জিলাৰ মুছলপুৰৰ বাথৌফুৰিত ১০ দিনীয়া কাৰ্যসূচীৰে ৫২সংখ্যক কেন্দ্ৰীয় বাথৌ পূজা আৰু মেলাৰ আয়োজন কৰা হৈছে। পৰম্পৰাগতভাৱে আৰজ বন্দনাৰে ১২খন গাঁৱৰ মুখিয়ালসকলে মেলাস্থলীত নিজ নিজ গাঁৱৰ ৰাজহুৱা পতাকা উত্তোলন কৰে। মেলাস্থলীত মুখ্য প্ৰৱেশদ্বাৰ, বাণিজ্য মেলা, মন্দিৰৰ দুৱাৰ মুকলি কৰা হয়। শান্তি, সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ ভাৱেৰে আয়োজন কৰা পূজা আৰু মেলাত ভালেসংখ্যক লোক উপস্থিত থাকে।

অসম মেঘালয় সীমান্তৱৰ্তী কামৰূপ জিলাৰ বকোৰ কঠালপাৰাত আজিৰে পৰা দুদিনীয়াকৈ বাথৌ পুজা অনুষ্ঠিত হৈছে। আজি পুৱাৰে পৰা বড়ো জনগোষ্ঠীৰ লোকসকলে পৰম্পৰাগত ৰীতি নীতিৰে সিজু গছ ৰোপন কৰি, বন্তি জ্বলাই আৰজ বন্দনাৰে পূজা আৰম্ভ কৰে। পূজাস্থলীত দক্ষিণ কামৰূপ জিলা বাথৌ মহাসভাৰ সভাপতি বিষ্ণু বসুমতাৰীয়ে পূজাৰ বিষয় সম্পৰ্কে আলোকপাত কৰে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিগবৈ আৰু চৰাইদেউ জিলাৰ মাহমৰাত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ প্ৰাৰম্ভিক পুঁজিৰ চেকসমূহ বিতৰণ কৰে। মাহমৰা বিধানসভা সমষ্টিৰ গৰৈমাৰী ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত কাৰ্যসূচীত সমষ্টিটোৰ ২৫ হাজাৰ ৫৫১ গৰাকী মহিলাক ১০ হাজাৰ টকাকৈ আঁচনিৰ প্ৰথম কিস্তিৰ ধনৰ চেক আগবঢ়োৱা হয়। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে মহিলাসকলক চৰকাৰে আগবঢ়োৱা ধনৰ অপব্যৱহাৰ নকৰি মূলধন হিচাপে লৈ ক্ষুদ্ৰ ব্যৱসায় গঢ়ি তুলিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে মাহমৰা সমষ্টিৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে কেইবাখনো গুৰুত্বপূৰ্ণ আঁচনিৰ কাম শুভাৰম্ভ কৰাৰ লগতে নতুন আঁচনিৰ আধাৰশিলা স্থাপন কৰে। এই সন্দৰ্ভত সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে এইদৰে কয়ঃ

বাইট

মুখ্যমন্ত্ৰীয়ে ডিগবৈত ১৭ হাজাৰ ২৬৪ গৰাকী মহিলাক চেক বিতৰণ কৰে। মুখ্যমন্ত্ৰীয়ে অনুষ্ঠানত অংশ লৈ মহিলাসকলৰ সৱলীকৰণ আৰু তেওঁলোকৰ স্বাৱলম্বী কৰি তোলাৰ বাবে চৰকাৰৰ এই অভিযান অব্যাহত থাকিব বুলি উল্লেখ কৰে।

ooooo

দৰং জিলাৰ খাৰুপেটীয়াৰ সমীপত ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত  আজি সংঘটিত এটা দুৰ্ঘটনাত এজন যুৱক নিহত হয়। ধূলাৰ পৰা খাৰুপেটীয়া অভিমুখে মটৰচাইকেলেৰে গৈ থকা অৱস্থাত বিপৰীত দিশৰ পৰা অহা অসম আৰক্ষীৰ পঞ্জীয়নভুক্ত ট্ৰাকৰ খুন্দাত যুৱকজন গুৰুতৰভাৱে আহত হয় আৰু হাস্পতাললৈ নিয়াৰ পথত মৃত্যু হয়। নিহত যুৱকজন ধূলাৰ খাটনীয়াপাৰা গাঁৱৰ দিলোৱাৰ হুছেইন বুলি জানিব পৰা গৈছে।

oooooo

৯ দিনীয়াকৈ অনুষ্ঠিত মানাহ মহোৎসৱৰ ৩১ জানুৱাৰীত অন্ত পৰিব। এই মহোৎসৱত মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতিকাষৰীয়া বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ লগতে প্ৰতিবেশী ৰাষ্ট্ৰ ভূটানৰো বহুসংখ্যক লোকে নিজৰ কৃষ্টি-সংস্কৃতি, খাদ্য সম্ভাৰ প্ৰদৰ্শন কৰাৰ লগতে বিক্ৰী কৰিছে। জনজাতীয় খাদ্য সম্ভাৰে পৰ্যটকসকলক আকৰ্ষণ কৰা বুলি আমাৰ বাক্সাৰ সংবাদদাতাই জনাইছে।

ooooo

ৰাজ্যৰ বিভিন্ন জিলাত আজি বেংক কৰ্মচাৰীসকলে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। বেংক কৰ্মচাৰীসকলৰ কাম-কাজ সপ্তাহত  ৫ দিনৰ বাবে কৰাৰ দাবী কৰ্মচাৰীসকলে আজি কৰ্মবিৰতি পালন কৰে। মৰিগাওঁ জিলাতো বেংক কৰ্মচাৰীসকলে আজি এই কাৰ্যসূচী ৰূপায়ণ কৰে। একেদৰে শিৱসাগৰ জিলাত আজি ভাৰতীয় ষ্টেট বেংকৰ সন্মুখত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে।

ooooo

বজালীৰ ভৱানীপুৰ আৰক্ষীৰ বাংলীপাৰাৰ এটা পেট্ৰ'লপাম্পত আৰক্ষীয়ে অভিযান চলাই নকল সোণৰ এজন ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে ব্যৱসায়ীজনৰ পৰা ২ কিলোগ্ৰাম ওজনৰ নকল সোণৰ এটা মূৰ্তি উদ্ধাৰ কৰে। গ্ৰেপ্তাৰ কৰা ব্যক্তিজন লখিমপুৰ জিলাৰ বিহপুৰীয়াৰ ছহিদুল ইছলাম বুলি আৰক্ষীয়ে জনাইছে।

ooooo

ঃঃ সমাপ্ত ঃঃ